**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে আজি অনুষ্ঠিত ভোটগ্ৰহণত দুপৰীয়া ১২ বজা পৰ্যন্ত প্ৰায় ২৪ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

২। লোকসভা নিৰ্বাচনৰ বাকী থকা দুটা পৰ্যায়ৰ বাবে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে ৰাজ্যসমূহত ৰাজহুৱা সভা আৰু ৰোড শ্ব'সমূহত অংশগ্ৰহণ কৰি নিজ নিজ দলৰ প্ৰাৰ্থীসকলক উৎসাহিত কৰিছে।

৩। ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী হুছেইন আমিৰ আব্দুল্লাহিয়ানৰ করুণ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে গভীৰ শোক প্ৰকাশ কৰিছে।

আৰু

৪। ফ্ৰেন্স অ'পেন ২০২৪ টেনিছ টুৰ্নামেণ্ট আজিৰে পৰা পেৰিছৰ ষ্টেড ৰোলাণ্ড গেৰোছত অনুষ্ঠিত হ'ব।

ooooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে আজি অনুষ্ঠিত ভোটগ্ৰহণত দুপৰীয়া ১২ বজা পৰ্যন্ত প্ৰায় ২৪ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। ইয়াৰে পশ্চিমবংগত প্ৰায় ৩৩ শতাংশ, উত্তৰ প্ৰদেশত ২৮, ঝাৰখণ্ডত ২৬, লাডাখত ২৮, জম্মু-কাশ্মীৰ, ওড়িশা আৰু বিহাৰত ২১ শতাংশতকৈ অধিক আৰু মহাৰাষ্ট্ৰত ১৬ শতাংশ ভোটদাতাই ভোটদান কৰিছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত সামৰণি পৰিব। উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩ টা, পশ্চিমবঙ্গৰ সাতটা, ওড়িশা আৰু বিহাৰৰ ৫ টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টি আছে। এই পৰ্য্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, পীয়ুষ গোৱেল, স্মৃতি ইৰাণী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, কে এল শৰ্মা, নেচনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামবিলাস পাছোৱানৰ চিৰাগ পাছোৱান অন্যতম। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ৯৪ হাজাৰ ৭৩২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৯ লাখ ৪৭ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। এই পৰ্যায়ত ৮ কোটি ৯৫ লাখ ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰিব। ইয়াৰে ভিতৰত ৪ কোটি ৬৯ লাখ পুৰুষ, ৪ কোটি ২৬ লাখ মহিলা আৰু ৫ হাজাৰ ৪০৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। এই পৰ্য্যায়ৰ বাবে স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱা পানী, ৰেম্প, শৌচালয়, হুইল চেয়াৰ আদি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য যে এতিয়ালৈকে ২৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৭৯ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হৈছে আৰু প্ৰায় ৬৭ শতাংশ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভোটদান কৰা ভোটদাতাসকলক তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে নতুন অভিলেখ সৃষ্টি কৰিবলৈ আহ্বান জনাইছে। এটা সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰী মোদীয়ে মহিলা আৰু যুৱ ভোটদাতাসকলক

গণতন্ত্ৰৰ উৎসৱত নিজৰ সাংবিধানিক অধিকাৰ সাব্যস্ত কৰিবলৈ বিশেষভাৱে আহ্বান জনায়। উল্লেখযোগ্য যে লোকসভা নিৰ্বাচনৰ আজি পঞ্চম পৰ্যায়ত ছখন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত ভোটগ্ৰহণ চলি আছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ বাকী থকা দুটা পৰ্যায়ৰ বাবে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে ৰাজ্যসমূহত ৰাজহুৱা সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰি নিজ নিজ দলৰ প্ৰাৰ্থীসকলক উৎসাহিত কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী  নৰেন্দ্ৰ মোদীয়ে ওড়িশা আৰু পশ্চিমবংগত আজি কেবাটাও সমদলত অংশগ্ৰহণ কৰে।

ওড়িশাৰ পুৰীত আজি শ্ৰী মোদীয়ে এটা ৰোড শ্ব'ত ভাগ লয়। ইয়াৰ পাছতে তেওঁ উদ্যোগিক চহৰ অংগুলত এখন ৰাজহুৱা সভা সম্বোধন কৰে। শ্ৰী মোদীয়ে কয় যে প্ৰাকৃতিক সম্পদত চহকী হোৱা সত্ত্বেও ওড়িশাৰ লোকসকলে দৰিদ্ৰতাৰ সৈতে যুঁজি আছে। ওড়িশাৰ খনিজ সম্পদ আৰু সংস্কৃতি বিজেডি শাসনৰ অধীনত সুৰক্ষিত নহয় বুলি তেওঁ অভিযোগ কৰে। ধেনকানান আৰু কটকতো নৰেন্দ্ৰ মোদীয়ে ৰাজহুৱা সভা সম্বোধন কৰে। তেওঁ কয় যে কটক ভাৰতীৰ পুৰণি চহৰসমূহৰ ভিতৰত অন্যতম আধুনিক শিক্ষাৰ কেন্দ্ৰ। তেওঁ প্ৰতিশ্ৰুতি দিয়ে যে ৰাজ্যখনত বিজেপি চৰকাৰ শাসনলৈ আহিলে চাউলৰ ন্যূনতম সহায়ক মূল্য প্ৰতি কুইণ্টলত ২,২০০ৰ পৰা ৩,১০০টকালৈ বৃদ্ধি কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে পশ্চিমবংগৰ ঝাৰগ্ৰাম আৰু তামলুকত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব।

আনহাতে, সমাজবাদী দলৰ প্ৰধান অখিলেশ যাদৱে আজি উত্তৰ প্ৰদেশৰ দোমাৰিয়াগঞ্জ, সন্ত কবীৰ নগৰ আৰু বস্তীত তিনিখন ৰাজহুৱা সভাত অংশ ল'ব।

০০০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ বাবে মাত্ৰ ৪টা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। চহৰখনত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দক্ষিণ দিল্লী লোকসভা সমষ্টিৰ সংগম বিহাৰত এখন জনসভাক সম্বোধন কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নতুন দিল্লী সংসদীয় সমষ্টিৰ মালবিয়া নগৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। দলৰ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে পূব দিল্লী সমষ্টিৰ ময়ূৰবিহাৰত এখন জনসভাক সম্বোধন কৰিব। উত্তৰ-পূব দিল্লী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী কানহায়া কুমাৰে আজি জহৰীপুৰ, গকুলপুৰী আৰু সুভাষ মোহল্লাত বিভিন্ন জনসভাত ভাষণ দিব। উত্তৰ-পশ্চিম দিল্লীৰ দলৰ প্ৰাৰ্থী উদিত ৰাজেই আজি নাংলয় আৰু তিক্ৰী কালানত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

পশ্চিম দিল্লীৰ পৰা আম আদমী পাৰ্টীৰ প্ৰাৰ্থী মহাবল মিশ্ৰই শংকৰ গাৰ্ডেন আৰু ভাৰত বিহাৰ কলনীৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে, দিল্লীৰ ৭খন আসনৰ বাবে অহা ২৫ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে সময়ে সময়ে ভাৰতীয় সংবিধানক অৱমাননা কৰা বুলি কংগ্ৰেছক দোষাৰোপ কৰিছে। দূৰদৰ্শনত দিয়া এটা আছুতীয়া সাক্ষাৎকাৰত শ্ৰী মোদীয়ে কয় যে তেওঁ বি আৰ আম্বেদকাৰ আৰু সাংবিধানিক কমিটীৰ আন সদস্যসকলক লৈ এনে এখন সংবিধান প্ৰস্তুত কৰাৰ বাবে সন্মান জনাইছে, যিখনে এজন চাহ বিক্ৰেতাকো দেশৰ প্ৰধানমন্ত্ৰী হোৱাৰ সুযোগ প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰ চলোৱাৰ ক্ষেত্ৰত সংবিধানে মাৰ্গদৰ্শক হিচাপে কাম কৰে। তেওঁ কয় যে দেশৰ পূব দিশত থকা ৰাজ্যসমূহ - ওড়িশা, ঝাৰখণ্ড, বিহাৰ, বেংগল আৰু উত্তৰ প্ৰদেশৰ পূব প্ৰান্তই দেশৰ বিকাশৰ ক্ষেত্ৰত ইঞ্জিনৰ দৰে কাম কৰে। আজিৰ দিনত ভাৰতৰ নাৰী শক্তিৰ সম্ভাৱনাসমূহ বৃদ্ধি

পাইছে আৰু সমগ্ৰ দেশৰ অৰ্থনীতি সম্পূৰ্ণভাৱে সলনি কৰাৰ সম্ভাৱনা এই নাৰীশক্তিৰ মাজতেই নিহিত হৈ আছে বুলি তেওঁ উল্লেখ কৰে।

এটা সংবাদ প্ৰতিষ্ঠানত সাক্ষাৎকাৰ প্ৰদান কৰি শ্ৰী মোদীয়ে কয় যে সংখ্যালঘুসকলৰ বিপক্ষে তেওঁ এটাও শব্দ কোৱা নাই যদিও কংগ্ৰেছৰ এইক্ষেত্ৰত থকা ভোট বেংক ৰাজনীতিৰ বিপক্ষে তেওঁ থিয় দিছে।

0000000

ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী হুছেইন আমিৰ আব্দুল্লাহিয়ানৰ কৰুণ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে ভাৰত ইৰাণৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই দুখৰ সময়ছোৱাত ইৰাণৰ সৈতে ভাৰত সমভাগী বুলি মন্তব্য কৰিছে।

0000000

বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হৈ ইৰাণৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছি আৰু বৈদেশিক মন্ত্ৰী হুছেইন আমিৰ আব্দুল্লাহিয়ানৰ মৃত্যু হোৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত ড° জয়শংকৰে কয় যে দুৰ্ঘটনাৰ খবৰ পাই তেওঁ স্তম্ভিত হৈ পৰিছে। ড° জয়শংকৰে তেওঁলোকৰ সৈতে যোৱা জানুৱাৰী মাহত হোৱা সাক্ষাৎকাৰৰ কথা স্মৰণ কৰি কয় যে এই শোকাৱহ দুৰ্ঘটনাৰ সময়ত ভাৰত সদায় ইৰাণৰ লগত আছে।

0000000

অতিমাত্ৰা গ্ৰীষ্মপ্ৰৱাহৰ বাবে উত্তৰ প্ৰদেশৰ গাজিয়াবাদ আৰু নয়দাত অংকুৰ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিদ্যালয়সমূহ বন্ধ ৰখা হৈছে। গাজিয়াবাদত ২৫ মে'লৈকে শ্ৰেণীসমূহ বন্ধ হোৱাৰ বিপৰীতে নয়দাত পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বিদ্যালয়সমূহ বন্ধ থাকিব। জিলাৰ শিক্ষা বিভাগে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড, The Indian Certificate of Secondary Education, উত্তৰ প্ৰদেশ মাধ্যমিক শিক্ষা পৰিষদ আৰু অন্য ব'ৰ্ডসমূহক নিৰ্দেশনাসমূহ মানি চলিবলৈ আহ্বান জনাইছে।

0000000

ফ্ৰেন্স অ'পেন ২০২৪ টেনিছ টুৰ্নামেণ্ট আজিৰে পৰা পেৰিছৰ ষ্টেড ৰোলাণ্ড গেৰোছত অনুষ্ঠিত হ'ব। ভাৰতৰ তাৰকা খেলুৱৈ সুমিত নাগালে পুৰুষৰ ছিংগলছৰ মূল ড্ৰ খেলত স্থান নিশ্চিত কৰিছে। ২০১৯ চনত প্ৰাজনেছ গুনেশ্বৰণৰ পাছত ফ্ৰেন্স অ'পেন মূল ড্ৰৰ বাবে কোৱালিফায়াৰ কৰা সুমিত নাগাল হৈছে প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ। এই টুৰ্নামেণ্টৰ পুৰুষৰ ছিংগলছৰ এইবাৰ মূল আকৰ্ষণ হ'ব কিং অব্ ক্লে হিচাপে খ্যাত স্পেইনৰ ৰাফেল নাডাল আৰু ছাৰ্বিয়াৰ বিশ্বৰ এক নম্বৰ স্থানৰ খেলুৱৈ ন'ভাক জ'ক'ভিক।

0000000

আই পি এল দল ৰাজস্থান ৰয়েল্‌ছৰ ক্ৰিকেট সঞ্চালক তথা দলটোৰ মুখ্য প্ৰশিক্ষক কুমাৰ ছাংগাকাৰাই আজি অসমৰ জুনিয়ৰ ক্ৰিকেটাৰসকলৰ লগত এটা বাৰ্তালাপ অনুষ্ঠানত অংশ ল'ব। ইতিমধ্যে অসম ক্ৰিকেট একাডেমীয়ে এই অনুষ্ঠানৰ বাবে ৩৩ গৰাকী খেলুৱৈ বাছনি কৰিছে। ৰাজ্যৰ ১৯ বছৰ অনুৰ্ধৰ পুৰুষ আৰু মহিলা ক্ৰিকেটাৰে এই অনুষ্ঠানত অংশ ল'ব।

00000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে বাতিল কৰিবলগীয়া হয়। বৰষুণৰ বাবে নিৰ্ধাৰিত সময়তকৈ চাৰে ৩ ঘণ্টা পলমকৈ হোৱা টছত জিকি কলকাতা নাইট ৰাইডাৰ্ছৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰতিকুল বতৰৰ বাবে খেলখন ৭ অভাৰলৈ সীমিত কৰিবলৈ বাধ্য হয় যদিও ইয়াৰ ঠিক পাছতেই পুনৰ বৰষুণ হোৱাত

খেলখন সম্পূৰ্ণৰূপে বাতিল ঘোষণা কৰা হয়। ফলাফলবিহীন এই খেলখনৰ বাবে ৰাজস্থান ৰয়েলছ্ প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থাকে। প্ৰতিযোগিতাৰ প্লেঅফ পৰ্যায়ত দলটোৱে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সৈতে এলিমিনেটৰ যুঁজত অৱতীৰ্ণ হ'ব। ইপিনে ছানৰাইজাৰ্ছ হায়দৰাবাদে কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে কালি হায়দৰাবাদৰ ৰাজীৱ গান্ধী ইণ্টাৰনেচনেল ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে পাঞ্জাব কিংছক ৪ উইকেটত পৰাস্ত কৰে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ১৭ পইণ্টেৰে ছানৰাইজাৰ্ছ হায়দৰাবাদ দ্বিতীয় স্থানত থকাৰ বিপৰীতে ১৯ পইণ্টেৰে কলকাতা নাইট ৰাইডাৰ্ছ প্ৰথম স্থানত আৰু ৰাজস্থান ৰয়েলছ্ ১৬ পইণ্টেৰে তৃতীয় স্থানত আছে।

oooooooo

**সমাপ্ত**